হৈ উঠে।

৪.৩ (ক) প্ৰাক্-বিদ্যালয় শিক্ষা (Pre-School Education) ঃ

প্ৰাক্-বিদ্যালয় শিক্ষা হ'ল এনে এক শিক্ষা, যি শিক্ষা এটি শিশু আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিবলৈ যোৱাৰ আগতে দিয়া হয়; যাতে শিশুটিক মানসিক, আৱেগিকভাৱে প্ৰস্তুত কৰি তুলিব পাৰে। এই শিক্ষাক প্ৰাক-প্ৰাথমিক শিক্ষা বুলিও জনা যায়; কিয়নো, প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ আগতে এই শিক্ষা দিয়া হয়। এই শিক্ষাৰ দ্বাৰা শিশুৰ শাৰীৰিক, মানসিক, প্ৰজ্ঞাত্মক আৰু সামাজিক বিকাশৰ ভেটি স্থাপন কৰিবলৈ সহজ হয়। ইয়াৰ উপৰিও এই শিক্ষাৰ দ্বাৰা শিশুৰ গাত অন্তৰ্নিহিত হৈ থকা গুণ ৰাশিৰ বিকাশ ঘটোৱাত অৰিহণা যোগায়।

১৯৪৬-৬৬ চনৰ শিক্ষাৰ আয়োগে মন্তব্য দিছে যে— প্ৰাক-প্ৰাথমিক শিক্ষা শিশুৰ শাৰীৰিক, মানসিক, আবেগিক আৰু বৌদ্ধিক বিকাশৰ বাবে বৰ গুৰুত্বপূৰ্ণ; বিশেষকৈ সেইসকল শিশুৰ, যাৰ ঘৰ বা পৰিৱেশেই সন্তোষজনক নহয়। এই শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল শিশুক স্বাধীন চিন্তা শক্তিৰে নিজৰ গতিত বিকাশৰ বিভিন্ন দিশত আগবাঢ়ি যোৱাত সহায় কৰা। নানা কথা শিকিবৰ বাবে উদগনি দিয়াৰ লগতে শিশুটিক সামাজিককৰণ প্ৰক্ৰিয়াত সহায় কৰা।

প্ৰাক্-বিদ্যালয় শিক্ষা ২-৬ বছৰ বয়সৰ শিশুক খেলা-ধূলা, নাচ-গানৰ মাধ্যমেৰে শিক্ষা দিয়া হয়। অৰ্থাৎ আমোদ-প্ৰমোদৰ মাজেৰে শিশুক সমান অভিজ্ঞতা দিয়া হয়।

শিশুৱে খেলা-ধূলাৰ মাজেৰে সু-স্বাস্থ্য ৰক্ষাৰ নিয়মসমূহ আৰু বিভিন্ন ধৰণৰ খেলা সামগ্ৰীৰ লগত পৰিচয় হোৱাৰ লগতে, সেইবোৰ নিজে খেলিব পৰাৰ কৌশল আয়ত্ত কৰিব পৰা হয়। গতিকে প্ৰাক্-বিদ্যালয় শিক্ষাৰ দ্বাৰা শিশুৱে এটা সুৰক্ষিত পৰিবেশত, শিক্ষকৰ যতন আৰু উপযুক্ত নিৰ্দেশত লগৰ লগৰীয়াৰ লগত খেলা-ধূলা, মিলা-মিছা কৰিবলৈ সুযোগ পায়, ফলত শিশুৰ সকলো দিশৰ বৃদ্ধি আৰু বিকাশ সঠিকভাবে হ'ব পাৰে।

৪.৩ (খ) প্ৰাক্-বিদ্যালয় শিক্ষাৰ প্ৰয়োজনীয়তা আৰু লক্ষ্য (Needs and objcetives of Pre-school Education) ঃ

প্ৰাক্-বিদ্যালয়ৰ বসয়েই হৈছে এজন মানুহৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ সময়। এই সময়তেই শিশুৰ বৃদ্ধিৰ হাৰ অতি দ্ৰুতগতিত হয়। বিভিন্ন গৱেষণায়ো সেই একে মত পোষণ কৰিছে আৰু এইটোও কৈছে যে বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত প্ৰায় শতকৰা ৫০ ভাগ বৃদ্ধি হয়। এই সময়ত শিশুক যি ধৰণৰ শিক্ষা দিয়া হয়, তাকে অতি সোনকালে আয়ত্ত কৰিব পাৰে; ইয়াৰ বাবে প্ৰয়োজন হয় সু-পৰিবেশৰ। সেয়েহে প্ৰাক-প্ৰাথমিক স্কুলৰ যোগেদি শিশুক উন্নত মানৰ সুবিধা প্ৰদান কৰিব পৰা যায়।

এই বয়সত শিশুৱে যি ধৰণৰ কথাই নিশিকক সকলোৱেই শিশুৰ মনত গভীৰ সাঁচ বহুৱায়, ফলত পিচলৈ শিশুৰ পৰিৱৰ্তন অনাটো কঠিন হৈ পৰে। ইয়াৰ বাবে প্ৰয়োজন হয় উন্নত পৰিবেশৰ। যাৰ দ্বাৰা শিশুৱে নতুন নতুন অভিজ্ঞতা লাভ কৰিব পাৰে। শিশুৰ সু-অভ্যাস গঠন, সুস্থ ভাবমূৰ্তি গঢ়ি তোলাৰ লগতে নজনা কথা জানিবলৈ শিশু ইচ্ছুক হয়। এই ক্ষেত্ৰত প্ৰাক-বিদ্যালয়ে যথেষ্ট সহায় কৰে।

শিশুৱে প্ৰাথমিক বিদ্যালয়লৈ যোৱাৰ আগতে প্ৰাক্-বিদ্যালয়লৈ গ'লে সি প্ৰাথমিক বিদ্যালয়ত নিজকে সুন্দৰভাবে খাপ খুৱাই ল'ব পাৰে। তাৰোপৰি তেনে শিশুৰ আগতীয়া প্ৰস্তুতি থকাৰ বাবে সকলো বিষয়তে সেই শিশুৱে পাৰদৰ্শিতা দেখুৱাব পাৰে।

প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ শিশুৰ খেলা, গান, নাচৰ যোগেদি শিক্ষা দিয়া হয় বাবে বন্ধু-বান্ধবৰ লগত খেলা, গান গোৱা, নচা আদিৰ অভিজ্ঞতা অৰ্জন কৰে; যিটোৱে শিশুটিক সমাযোজনা হোৱাত সহায় কৰে। এইদৰে খেলোতে, গান গাওঁতে, বন্ধুৰ লগত মিলা-মিছা কৰোতে ভাষাৰ ব্যৱহাৰ, ভাষা শিকাৰ সুযোগ লাভ, খেলাৰ নীতি-নিয়ম, শিষ্টাচাৰ আদি নানা কথাও শিকিব পাৰে। সহায়-সহযোগিতাৰ মনোভাব জাগি উঠে, খেলা সামগ্ৰী ভাগ-বাটোৱাৰা কৰি খেলিবলৈ শিকে। খেলা-ধূলা কৰোতে

শিশুৰ শাৰীৰিক মাংসপেশীসমূহৰ যথাযথ বৃদ্ধি লাভ কৰি শিশু শক্তিশালী হয়। খেলাৰ কৌশলসমূহ শিকি বৌদ্ধিক ক্ষমতাৰো উৎকৰ্ষ সাধন হয়।

শিশুক সুষ্ঠ নাগৰিক হিচাপে গঢ় দিয়াত প্ৰাক্-বিদ্যালয় শিক্ষাৰ গুৰুত্ব অনেক।

বৰ্তমান সময়ত আধুনিক শিক্ষা পদ্ধতি হ'ল 'দানকেন্দ্ৰিক' আৰু আধুনিক শিক্ষাবিদসকলৰ মতে শিশুৰ শিক্ষা ২ বছৰৰ পৰা ৩ বছৰৰ ভিতৰত আৰম্ভ হ'ব লাগে। এই সময়ছোৱাৰ শিশুৱে যি অভ্যাস গঠন কৰে গোটেই জীৱনলৈ সেই অভ্যাসে প্ৰভাব পেলায়। সেয়েহে এই সময়ত শিক্ষা সু-সংগঠিত আৰু সু-পৰিকল্পিত হোৱাটো বাঞ্ছনীয়। শিশুক এই সময়ছোৱাত যি ধৰণেৰে গঢ় দিব বিচৰা যায় সেই ধৰণেৰে গঢ় লয়; কিয়নো, এই বয়সত শিশু সহজে নমনীয় আৰু তেওঁলোকৰ জনাৰো আগ্ৰহ অধিক হয়। প্ৰাক্-বিদ্যালয় স্তৰতে গঢ় লোৱা শিশুৰ বৌদ্ধিক, শাৰীৰিক, আবেগিক, সামাজিক বিকাশৰ ভেটিৰ ওপৰতেই ব্যক্তিৰ ব্যক্তিত্বই গঢ় লয়।

এইবিলাক কাৰণতেই প্ৰাক্-বিদ্যালয় শিক্ষাক ভৱিষ্যত জীৱনৰ ভেটি বুলি জনা যায় বা গণ্য কৰা হয়।

● **প্ৰাক্-বিদ্যালয়ৰ শিক্ষাৰ লক্ষ্য** ঃ প্ৰাক্-বিদ্যালয়ৰ শিক্ষাৰ মূল লক্ষ্য হৈছে শিশুৰ সকলো দিশৰ বিকাশত সহায় কৰা। অৰ্থাৎ শিশুৰ শাৰীৰিক, মানসিক, আবেগিক আৰু বৌদ্ধিক বিকাশত সহায় কৰা। প্ৰাক্-বিদ্যালয় শিক্ষাৰ মূল লক্ষ্যসমূহ হৈছে—

১। শিশুৰ সুস্থ শাৰীৰিক বিকাশৰ লগতে মাংসপেশীৰ সঞ্চালন আৰু প্ৰাথমিক চাল-চলনৰ নিপুণতাৰ বিকাশ ঘটোৱা। এটা শিশুৱে প্ৰাক্-বিদ্যালয়ত ভৰ্তি হোৱাৰ সময়লৈকে ভালদৰে খোজ কাঢ়িব নোৱাৰে। অৰ্থাৎ কেতিয়াবা দৌৰোতে বা খোজ কাঢ়োতে পৰি যায়, সহায় নোহোৱাকৈ চিৰি বগাবলৈ ভয় কৰে। কাৰণ, এই বয়সত শিশুৰ মাংসপেশীৰ সম্পূৰ্ণ বিকাশ নহয়। প্ৰাক্-বিদ্যালয়ত এনে শিশুক উপযুক্ত খেলা সামগ্ৰী যোগানৰ দ্বাৰা মাংসপেশীৰ বিকাশত সহায় কৰে। সকলোবোৰ প্ৰাক্-বিদ্যালয়ত শিশুক জঁপিওৱা, বগাই যোৱা, চুঁচৰি অহা, ঝুলনাত খেলা আদি খেলৰ বাবে প্ৰয়োজনীয় সুবিধা দিয়ে। কাৰণ, এই কামবোৰৰ দ্বাৰা শিশুৱে প্ৰাথমিক চাল চলনৰ নিপুণতাসমূহ আয়ত্ত কৰি লয়। প্ৰাক্-বিদ্যালয়ৰ অন্যান্য কিছুমান কাম যেনে— কাগজ কটা, কাগজত আঠা লগোৱা, ছবি অঁকা, ৰং কৰা আদিৰ সুবিধা থাকিব লাগে। এইবোৰৰ দ্বাৰা শিশুৰ অংগ সঞ্চালনত সুবিধা হয়।

২। শিশুৰ সু-স্বাস্থ্য গঠনৰ অভ্যাসসমূহ গঢ় দিয়াৰ লগতে প্ৰাথমিক কাম যেনে— নিজে কাপোৰ পিন্ধা, খেলা, মলমূত্ৰ ত্যাগ কৰা, খাদ্য খোৱা আদিৰ বাবে

প্ৰয়োজনীয় কৌশলসমূহৰ বিকাশ ঘটোৱা। কাৰণ, এইবোৰৰ দ্বাৰা শিশুৱে নিজকে যিকোনো পৰিস্থিতিৰ সৈতে খাপ খুৱাই ল'ব পাৰে আৰু আত্ম নিৰ্ভৰশীল হয়।

৩। সমাজে বিচৰা অনুসৰি সামাজিক ভাৱমূৰ্ত্তি, আচাৰ-ব্যৱহাৰ আদিৰ বিকাশ ঘটোৱা, সমাজৰ বিভিন্ন কাৰ্যত অংশগ্ৰহণ কৰিবলৈ উৎসাহ যোগোৱাৰ লগতে সামাজিক গোটৰ সদস্য হিচাপে সহযোগিতা আৰু ভাগ-বাটোৱাৰাৰ মনোভাবেৰে সামাজিক কাৰ্যত অংশগ্ৰহণ কৰিবলৈ শিক্ষা দিয়া।

৪। আবেগিক পৰিপূৰ্ণতা লাভ কৰা, মনৰ ভাব, আবেগ আদি প্ৰকাশ কৰা, বুজি পোৱাৰ লগতে নিয়ন্ত্ৰণ কৰিবৰ বাবে আবেগিক পৰিপক্কতাৰ বিকাশ ঘটোৱা।

৫। শিশুৰ সৌন্দৰ্য্যবোধৰ বিকাশৰ লগতে এইবোৰৰ প্ৰতি শিশুৰ মন আকৰ্ষিত হোৱাত উৎসাহ যেগোৱা। শিশুৰ তাৰ চাৰিও দিশৰ পৰিবেশৰ সৌন্দৰ্য্যৰ প্ৰতি মন আকৰ্ষিত কৰাত গুৰুত্ব দিব লাগে। ইয়াৰ দ্বাৰা শিশুৱে বিভিন্ন ধৰণৰ জ্ঞান অৰ্জন কৰাৰ লগতে নজনা কথা জানিবলৈ আগ্ৰহী হয়।

৬। শিশুৰ পৰিবেশ সম্বন্ধীয় জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰা, চাৰিওদিশৰ বিভিন্ন বস্তুৰ বিষয়ে জানিবলৈ দিয়া, নজনা কথা জানিবলৈ আৰু প্ৰয়োজন সাপেক্ষে এইবোৰৰ পৰীক্ষামূলক প্ৰমাণৰ সুবিধা দি নতুন নতুন আগ্ৰহ সৃষ্টি কৰাত সহায় কৰা।

৭। শিশুৰ আত্মপ্ৰকাশৰ প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰি আত্ম নিৰ্ভৰশীল হ'বলৈ সুবিধা দিয়াৰ লগতে সৃজনশীল হ'বৰ বাবেও শিশুক উৎসাহ প্ৰদান কৰা।

৮। শুদ্ধ ভাষা কোৱাৰ লগতে শুদ্ধ আৰু স্পষ্ট উচ্চাৰণৰ দ্বাৰা নিজৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ শিকোৱা। নতুন নতুন শব্দ ব্যৱহাৰৰ দ্বাৰা শিশুৰ ভাষাৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে এইবোৰৰ শুদ্ধ ব্যৱহাৰৰ ক্ষেত্ৰত দক্ষতা বৃদ্ধি কৰা।